**2 SEM TDC ASM MIL (A) 1**

**2018**

( May )

ASSAMESE

( Modern Indian Language )

**( Arts )**

Course : 201

**( অসমীয়া ভাষাৰ প্ৰায়োগিক জ্ঞান )**

*Full Marks* : 80
*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ লিখাঁ : ১×৬=৬

(ক) স্মাৰক পত্ৰৰ 'স্মাৰক' শব্দটিৰ অৰ্থ কি ?

(খ) তলত দিয়া শব্দ দুটাৰ সংক্ষিপ্ত ৰূপ লিখাঁ :

ক্লীৱলিংগ ; ক্ৰিয়া-বিশেষণ।

(গ) 'প্ৰশাসনীয় পৰিভাষা' (প্ৰথম খণ্ড)-ৰ প্ৰকাশক কোন?

(ঘ) অসমীয়া ভাষাৰ শব্দৰ আদিত অন্তঃস্থ ধ্বনিৰ উচ্চাৰণ হয়নে?

(ঙ) ভাঙি দেখুওৱাঁ—'ক্ৰু' আৰু 'শ্ৰ'।

(চ) ধাতুৰ পিছত যোগ হোৱা প্ৰত্যয়ক কি প্ৰত্যয় বোলা হয়?

২। (ক) পত্ৰ লিখন বুলিলে কি বুজা? শ্ৰেণীত তোমাৰ অনুপস্থিতিৰ যথোপযুক্ত কাৰণ দৰ্শাই যাৱতীয় তথ্যপাতিসহ মহাবিদ্যালয়ৰ অধ্যক্ষলৈ এখন আবেদনপত্ৰ লিখাঁ (মহাবিদ্যালয়ৰ নাম আৰু স্থান উল্লেখ নকৰিবাঁ)। ২+৮=১০

*অথবা*

(খ) তোমাৰ শিক্ষানুষ্ঠানৰ অৱসৰপ্ৰাপ্ত শিক্ষক এগৰাকীৰ সম্বৰ্ধনা সভাত পাঠ কৰিবৰ বাবে এখন সম্বৰ্ধনা-পত্ৰ যুগুত কৰাঁ। ১০

৩। (ক) কাৰ্য-বিবৰণী বুলিলে কি বুজা? কাৰ্য-বিবৰণী-লেখনকলা প্ৰয়োগ কৰি তোমাৰ অঞ্চলত অনুষ্ঠিত হোৱা শিল্পী দিৱসৰ কাৰ্য-বিবৰণী লিখাঁ। ২+৬=৮

অথবা

(খ) অসমীয়া অভিধানত প্ৰয়োগ হোৱা সংক্ষিপ্ত ৰূপৰ বিষয়ে চমুকৈ এটি আলোচনা আগবঢ়োৱাঁ। ৮

৪। (ক) কোনো এটা ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত অনুবাদে কেনেদৰে কাৰ্য সম্পাদন কৰে? তুলনামূলক সাহিত্যৰ ক্ষেত্ৰত অনুবাদৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখাঁ। ৪+৬=১০

অথবা

(খ) চমু টোকা লিখাঁ (যি কোনো দুটা) : ৫×২=১০

(১) পুনঃসৃজন

(২) আক্ষৰিক অনুবাদ

(৩) ভাবানুবাদ

৫। তলত দিয়া ইংৰাজী অংশটো অসমীয়ালৈ অনুবাদ কৰাঁ : ৫

(ক) Gautama Buddha (563 BC–483 BC) began life as a prince named Siddhartha Gautama, in northern India. At twelve, he was sent away for schooling in the Hindu sacred scriptures and four years later he returned home to marry a

princess. They had a son and lived for ten years as befitted royalty. At about the age of twenty-five, the Prince, heretofore shielded from the sufferings of the world, while out hunting chanced upon a sick man, then an aged man, then a funeral procession, and finally a monk begging for Alms. These sights so moved him that he at once went out into the world to seek enlightenment concerning the sorrows he had witnessed.

অথবা

(খ) Assam in the nineteenth century presented a peculiar scenario. With the British annexation in 1826, the socio-political and economic situation underwent a rapid change. The language in the province too faced the wind of the change. Assamese, the vernacular language of Assam, has a long history of its existence. But prior to British rule, it was not taught as a subject in the absence of schools in the modern sense of the term. There was

the 'tol' system in which Sanskrit studies were primarily encouraged. The Assamese intelligentsia of the pre-British periods was much influenced by Sanskrit and also to some extent by Persian which was at that time the court language of India.

৬। তলত দিয়া যি কোনো দুটাৰ বিষয়ে চমুকৈ লিখাঁ : ৪×২=৮

(ক) পৰিভাষাৰ ধাৰণা

(খ) প্ৰশাসনীয় পৰিভাষা

(গ) শিক্ষা-সম্পৰ্কীয় পাৰিভাষিক শব্দ

৭। তলত দিয়া যি কোনো ছটা ইংৰাজী শব্দৰ অসমীয়া পৰিভাষা লিখাঁ : ১×৬=৬

Abstract ; Agenda ; Commission ; Inaugural address ; Migration ; Project ; Vice-chancellor ; Volunteer ; Wage.

৮। তলৰ যি কোনো তিনিটা বাক্য শুদ্ধকৈ লিখাঁ : ১×৩=৩

(ক) বিছনাৰ মুৰ শিতানৰ পৰা ম'বাইলতো আনা।

(খ) নেওঁগে মইয়ে গাঁওলৈ যাম।

(গ) অহা কালিলৈ সভাখন অনুষ্ঠিত হ'ব।

(ঘ) ওপৰত উল্লেখ কৰা বাক্যকেওটা ভুল।

৯। (ক) অসমীয়া ভাষাত জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ এটি টোকা যুগুত কৰাঁ। ১০

*অথবা*

(খ) তলত দিয়া যি কোনো পাঁচটা জতুৱা খণ্ডবাক্যৰ অৰ্থ লিখি পূৰ্ণাংগ বাক্য সাজাঁ : ২×৫=১০

পানীৰ তলৰ কাঁইট ; গাই বাই চা ; আঁঠুৱা তলৰ মহ ; নপতা ফুকন ; কুন্দত কটা ; বুদ্ধিত বৃহস্পতি ; হিয়াৰ আমঠু।

১০। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৫×২=১০

(ক) তদ্ধিত প্ৰত্যয়ৰ সংযোগত শব্দ গঠন

(খ) সৰল বাক্য আৰু জটিল বাক্য

(গ) বন্ধনী আৰু ইয়াৰ প্ৰকাৰ

(ঘ) অসমীয়া ভাষাত ঊৰ্দ্ধকমাৰ প্ৰয়োগ

১১। যথোচিত স্থানত প্ৰাচীন আৰু আধুনিক যতি চিন প্ৰয়োগ কৰি তলৰ অংশটি পুনৰ লিখাঁ : 8

নিৰঞ্জন আতৈয়ে ভাগৱতৰ পাঠ পঢ়িবলৈ আৰম্ভ কৰিলে

মায়াৰ বচন বিষয়ৰ সুখ মানে

ভূঞ্জি অনুৰূপে তাক ত্যজয় আপোনে

আতৈ কোনটো স্কন্ধ বা পাঠ কৰা হৈছে

এগৰাকী ভকতে সুধিলে

আতৈয়ে উত্তৰ দিলে ভাগৱতৰ দশম স্কন্ধ ১৬০৬৫

★★★